**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-02-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। শিৰসাগৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

২। মণিপুৰত ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰ।

৩। নলবাৰীত অসম ৰাজ্যিক মহিলা আয়োগৰ **বিশ্বাস যাত্ৰা** কাৰ্যসূচীত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কিশোৰ ৰাহতকাৰৰ অংশগ্ৰহণ। **আৰু**

৪। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বিশ্ব কৰ্কট দিৱস পালন।

ooooo

শিৰসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত অংশ লৈছে। এই অনুষ্ঠানত ৩৪ হাজাৰ ৭১১ গৰাকী মহিলাক চেক বিতৰণ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ মহিলাসকল স্বাৱলম্বী হৈ পৰিয়ালক সকাহ দিছে বুলি মন্তব্য কৰে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে শিৰসাগৰ নাট্য মন্দিৰ উদ্বোধন কৰে। এই নাট্য মন্দিৰে অঞ্চলটোৰ সাংস্কৃতিক পৰিমণ্ডল পৰিমণ্ডল সমৃদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। ড° শৰ্মাই কিছু সময় পূৰ্বে জিলাখনৰ সোণাৰি খেলপথাৰত আত্মসহায়ক গোটৰ সদস্যসকলক মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশ লৈছে।

মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত এইদৰে কয় ঃ

বাইট

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰত্যাহাৰ কৰিছে। ৰাজ্যখনত যোৱা বছৰ ১৩ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হৈছিল। গৃহমন্ত্ৰালয়ে এই সন্দৰ্ভত ৰাজপত্ৰিত অধিসূচনা জাৰি কৰিছে। অধিসূচনাখনত ৰাষ্ট্ৰপতি মুৰ্মুৱে যোৱা বছৰ সংবিধানৰ ৩৫৬ নম্বৰ অনুচ্ছেদৰ অধীনত জাৰি কৰা ৰাষ্ট্ৰপতিৰ শাসন ওৰ পৰা বুলি উল্লেখ কৰা হৈছে।

বিজেপি নেতা য়ুমনাম খেমছান্দ সিঙে আজি সন্ধিয়া লোকভৱনত মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। য়ুমনাম খেমছান্দ সিঙক কালি বিজেপি বিধায়িনী দলৰ নেতা হিচাপে সৰ্বসন্মতি ক্ৰমে বাছনি কৰা হয়।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ পাছত যোৱা বছৰ ফেব্ৰুৱাৰীৰ পৰাই মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ হৈ আছে।

ooooo

অসম ৰাজ্যিক মহিলা আয়োগে মহিলাসকলৰ সৱলীকৰণৰ বাবে আৰম্ভ কৰা বিশ্বাস যাত্ৰা শীৰ্ষক কাৰ্যসূচীৰ অংশ হিচাপে আজি নলবাৰীত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কিশোৰ ৰাহতকাৰে অংশ লয়। গৰ্ডন খেলপথাৰত আয়োজিত এই অনুষ্ঠানত অধ্যক্ষাগৰাকীয়ে অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাৰ উপস্থিতিত এটা মটৰ চাইকেল সমদল মুকলি কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষাগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

(বাইট)

ooooooo

মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। আয়ুক্ত অনামিকা তিৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত আয়ুক্তগৰাকীয়ে জিলাখনক শিশু শ্ৰমিক মুক্ত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে শিশু তথা কিশোৰ-কিশোৰীক ঘৰুৱা সহায়ক হিচাপে নিয়োগ কৰাৰ প্ৰৱণতা সম্পূৰ্ণৰূপে নোহোৱা কৰিবৰ বাবে গাঁও আৰু উন্নয়ন খণ্ডৰ পৰ্যায়ৰ শিশু সুৰক্ষা সমিতিসমূহে আগভাগ ল'ব লাগিব। সমিতিসমূহে নিজৰ অঞ্চলত ঘৰুৱা সহায়ক হিচাপে শিশু শ্ৰমিক নাই বুলি নিশ্চিত কৰাৰ পাছত সংশ্লিষ্ট অঞ্চলটো শিশু শ্ৰমিক মুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হ'ব। আয়ুক্তগৰাকীয়ে উপযুক্ত তথা ইচ্ছুক দম্পতীক প্ৰতিপালিত যত্ন বা FOSTER CARE-ৰ ব্যৱস্থাৰ অধীনত শিশুগৃহত থকা ছবছৰৰ ওপৰৰ আৰু আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিশুক নিজৰ লগত ৰাখি উপযুক্ত ব্যৱস্থা ল'বলৈ আহ্বান জনায়। এনেদৰে দুবছৰ যত্ন আৰু সুৰক্ষা থকা শিশুটিক সেই দম্পতীয়ে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ জৰিয়তে দত্তক গ্ৰহণ কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে। আয়ুক্তগৰাকীয়ে জিলাখনৰ শিশু আশ্ৰয় গৃহটোত খেলা-ধূলা আৰু শাৰীৰিক ব্যায়াম আদিৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতিমাহে স্বাস্থ্য শিবিৰৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত কেইবাজনো জ্যেষ্ঠ প্ৰশাসনিক বিষয়া, আৰক্ষী বিষয়া আদি উপস্থিত আছিল।

ooooo

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কৰ্কট ৰোগৰ আগতীয়া নিৰীক্ষণ, চিনাক্তকৰণ আৰু চিকিৎসাক অগ্ৰাধিকাৰ দিয়াৰ সংকল্প গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনাইছে। ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ চিকিৎসা আৰ্হিৰ জৰিয়তে সমগ্ৰ অসমত উন্নত প্ৰযুক্তি, আগতীয়াকৈ

ৰোগ চিনাক্তকৰণ আৰু সুলভ চিকিৎসা প্ৰদানৰ বাবে স্বাস্থ্য খণ্ডক বিকশাই তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি তেওঁ প্ৰকাশ কৰে।

দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত এই দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ স্বাস্থ্য বিভাগৰ সহযোগত কৰ্কট ৰোগ সজাগতামূলক সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কেন্দ্ৰটোৰ অধীক্ষক ডা০ ছৈয়দ ইফতিকাৰ চোভানীয়ে শুভাৰম্ভ কৰা এই সমদলত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডা০ দিল্লীৰাম অধিকাৰী, চিকিৎসক ডা০ দিনেশ চন্দ্ৰ গোস্বামী আদিকে ধৰি বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই কেন্দ্ৰটোত এইচ পি ভি প্ৰতিষেধক উপলভ্য কৰা হৈছে আৰু ৯ৰ পৰা ২৬ বছৰ বয়সৰ মহিলাসকলে এই প্ৰতিষেধক গ্ৰহণ কৰিব পাৰিব বুলি কেন্দ্ৰটোৰ কৰ্তৃপক্ষই আকাশবাণীৰ সংবাদদাতাক জানিবলৈ দিছে।

০০০০০

ৰাজ্যসভাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত  হয়। আলোচনাত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী তথা উচ্চ সদনৰ নেতা জে পি নাড্ডাই কয় যে ৰাষ্ট্ৰপতিৰ ভাষণত দেশৰ বিকাশ গাথা সুন্দৰভাৱে স্পষ্ট হৈছে আৰু এয়া সচাকৈ প্ৰেৰণাদায়ক। তেওঁ কয় যে ৰাষ্ট্ৰপতিৰ ভাষণত অমৃত কালৰ ভাৱনা আৰু মোদী চৰকাৰৰ সাফল্য প্ৰতিফলিত হৈছে। শ্ৰীনাড্ডাই কয় যে এসময়ত বিশ্বৰ আটাইতকৈ দুৰ্বল ৫ টা  অৰ্থব্যৱস্থাৰ অন্যতমৰূপে গণ্য কৰা ভাৰত সম্প্ৰতি বিশ্বৰ সবাতোকৈ দ্ৰুত  বিকাশশীল অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। চৰকাৰে সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ দৃষ্টিভংগীৰে কাম কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰপতিয়ে শতিকা শতিকা পুৰণি সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে উল্লেখ কৰিছে আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰ দিশে অগ্ৰসৰ হোৱাত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই আলোচনাত ভাগ লৈ মোদী চৰকাৰৰ শাসনকালত সামাজিক ন্যায় আৰু সম্প্ৰীতিৰ এনাজৰি বিনষ্ট হোৱা বুলি অভিযোগ তোলে। মহিলাসকল বিজেপিৰ বাবে অকল ভোটবেংক হোৱা বুলি তেওঁ মন্তব্য কৰে।

০০০০০

বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেকহাসাৎ বসুমতাৰীয়ে আজি চিৰাং জিলাৰ স্বাস্থ্য বিভাগৰ তিনিটা নৱনিৰ্মিত ভৱন মুকলি কৰে। জিলাখনৰ ছিদলী খণ্ড স্বাস্থ্য কেন্দ্ৰৰ নৱনিৰ্মিত গৃহ মুকলি কৰি শ্ৰীবসুমতাৰীয়ে কয়, যে মুঠ ৪৯ লাখ ৭৭ হাজাৰ টকা ব্যয়ৰে নিৰ্মিত এই কাৰ্যালয় ভৱনে অঞ্চলটোৰ চিকিৎসা খণ্ডলৈ উল্লেখনীয় পৰিৱৰ্তন আনিব। ইয়াৰ পাছত তেওঁ কাজলগাঁৱৰ জে এছ্ বি অসামৰিক চিকিৎসালয়ত নিৰ্মাণ কৰি উলিওৱা মাদক দ্ৰব্য পৰিদৰ্শকৰ কাৰ্যালয় আৰু জিলাখনৰ স্বাস্থ্য সেৱা বিভাগৰ সংহত যুটীয়া সঞ্চালকালয়ৰ কাৰ্যালয় গৃহও মুকলি কৰে। ইয়াৰে মাদক দ্ৰব্য পৰিদৰ্শকৰ কাৰ্যালয় গৃহটো ৫৬ লাখ ৪৪ হাজাৰ টকা ব্যয়েৰে আৰু সংহত যুটীয়া সঞ্চালকালয়ৰ কাৰ্যালয় গৃহটো ৭৮ লাখ ৮৬ হাজাৰ টকা ব্যয়ৰে নিৰ্মাণ কৰা হৈছে।

০০০০০

বঙাইগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। আজি জিলাখনৰ আয়ুক্ত দিবাকৰ নাথে এই মেলা মুকলি কৰি পাঁচটা উন্নয়নৰ খণ্ডৰ কৃষকৰ বিপণীসমূহ পৰিদৰ্শন কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰে। উদ্বোধনী ভাষণত শ্ৰীনাথে কয়, যে কৃষকসকলৰ বাবে থকা চৰকাৰৰ

বিভিন্ন আঁচনিৰ ৰূপায়ণ তথা সময়ে সময়ে বীজ আৰু সাৰ বিতৰণ আদি বিষয়ত তেওঁলোকৰ পৰামৰ্শ অতি প্ৰয়োজন। এই সন্দৰ্ভত কোনো অভিযোগ থাকিলেও সেই কথা জনাবলৈ আয়ুক্তগৰাকীয়ে কৃষকসকলক আহ্বান জনায়। অনুষ্ঠানত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষ সুকেন ৰায়কে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৃষি মেলাত স্থানীয় আদৰ্শ কৃষকসকলৰ উৎপাদিত কৃষিজাত সামগ্ৰীৰ প্ৰদৰ্শনীৰ লগতে বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ